# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পলাশবাৰী আৰু কাঁহিকুছিত নিৰ্বাচনী প্ৰচাৰ চলায়। পলাশবাৰীৰ মাজিৰগাঁৱত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসনকালত অৰ্থনৈতিক উন্নয়ন হৈছে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অভয়াপুৰী বিধানসভা সমষ্টিৰ বৈতামাৰীত প্ৰচাৰ চলায়। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকাশৰ সপোনক বাস্তৱায়িত কৰাৰ যাত্ৰাত গ্ৰামাঞ্চলৰ ৰাইজক সক্ৰিয়ভাৱে অংশ ল’বলৈ আহ্বান জনায়। এই সভাত সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ সমষ্টিৰ দেওচুৰ চাঙত বিজেপি আৰু অসম গণ পৰিষদ মিত্ৰজোঁটৰ আঞ্চলিক সদস্যপদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। তেওঁ ৭ নম্বৰ বেচামাৰী আৰু কাজিৰঙাৰ কুঠৰীতো প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰত জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। তেওঁ বাঁহজানী মণ্ডলত এটা মটৰচাইকেল সমদলতো অংশ লয়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি নগাঁও জিলাৰ ৰাইদঙীয়াৰ উপৰি যমুনামুখৰ মাজগাঁৱত প্ৰচাৰ সভাত অংশ লয়।

ইপিনে লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে আজি গুৱাহাটীৰ চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়। এই সভাত অসম কংগ্ৰেছৰ সহ তত্বাৱধায়ক মনোজ চৌহানেও অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ ভক্তৰদবাত প্ৰচাৰ চলায়। তেওঁ দলীয় প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনোৱাৰ উপৰি শাসকীয় দলক সমালোচনা কৰে। কামৰূপ জিলাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ চলাইছে। হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ শনিয়াদী পঞ্চায়তত আজি তৃণমূল কংগ্ৰেছ দলৰ ৰাজ্যিক উপ-সভাপতি দুলু আহমেদে প্ৰচাৰ চলায়।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা  ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ কৰা হয়। পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱা মতে কালি জিলাখনৰ আৰু এটা কেন্দ্ৰত পুনৰভোটগ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। বিয়লি চাৰে ৪ বজাত এই ভোটগ্ৰহণৰ

সামৰণি পৰিছে। ভোটকেন্দ্ৰসমূহত আজি সামগ্ৰিকভাৱে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয় বুলি সংশ্লিষ্ট জিলাসমূহৰ সংবাদদাতাই আমাক জানিবলৈ দিছে। শ্ৰীভূমি জিলাৰ ৮টা ভোটগ্ৰহণ কেন্দ্ৰত আজি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ কৰা হয়। দিনৰ ডেৰ বজালৈ ৭৯৪ গৰাকী ভোটদাতাৰ ভিতৰত ৩৪৭ গৰাকী ভোটদান কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত আজি শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ কৰা হয়।

০০০০০

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলে আজি আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৱান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত এই দলটোৱে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানীজ ভাষাৰ লগতে বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। ইয়াৰ ফলত অসমৰ যুৱক-যুৱতীয়ে জাপানত কৰ্মসংস্থাপন লাভ কৰিব পাৰিব বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আশা ব্যক্ত কৰে।

উল্লেখযোগ্য যে দলটোৱে কালি অসমত উপস্থিত হোৱাৰ পাছতে বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটোৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপানৰ এই দলটোক আদৰণি জনাই কয়, যে এই ভ্ৰমণে অসম আৰু জাপানৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি জাপানী কোম্পানীসমূহক অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগ কৰাৰ প্ৰতি উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত জাপানৰ সৈতে সহযোগিতাৰ বাবে লোৱা পদক্ষেপক দলটোৰ এই ভ্ৰমণে নতুন গতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীক কালি অসমৰ ব্যৱসায়িক তথা ঔদ্যোগিক পৰিৱেশৰ বিষয়ে অৱগত কৰে।

দলটোৱে আজি জাগীৰোডত নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। অসমত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো কাইলৈ অসমৰ পৰা উভতি যাব।

০০০০০

সমাপ্ত